## (Terms of Trade and Gains from Trade)

**৮.১.বাণিজ্যৰ চৰ্ত বা বাণিজ্য হাৰ (Terms of Trade)ঃ** এখন দেশে অন্য এখন দেশৰ পৰা আমদানি কৰা এক গোট সামগ্ৰীৰ বাবদ যি পৰিমাণৰ নিজ দেশত উৎপাদিত সামগ্ৰী পৰিশোধ কৰিব লগা হয় সিহঁতৰ মাজৰ হাৰকে বাণিজ্য হাৰ বোলা হয় (The terms of trade is defined as the quantity of domestic goods that must be given in exchange for one unit of imported goods)। আন্তৰ্জাতিক বাণিজ্যত দ্ৰব্যৰ সলনি দ্ৰব্যৰ বিনিময় সাধন কৰা হয়। এখন দেশে অন্য এখনৰ পৰা কিবা এটা দ্ৰব্য আমদানি কৰিলে তাৰ প্ৰতিদান হিচাবে সেইদেশে বিচৰা অন্য এবিধ দ্ৰব্য যিটো প্ৰথমখন দেশে উৎপাদন কৰে তেনে দ্ৰব্য দিব লগা হয় বা ৰপ্তানি কৰিব লগা হয়। এতেকে এখন দেশে অন্য এখন দেশৰ পৰা দ্ৰব্য আমদানি কৰাৰ বাবদ যি হাৰত নিজ দেশত উৎপাদিত দ্ৰব্য ৰপ্তানি কৰি পৰিশোধ কৰিব লগা হয় তাকে বাণিজ্য হাৰ বোলে। উল্লেখযোগ্য যে বাণিজ্যহাৰ বা বাণিজ্য চৰ্ত কেতিয়াবা দেশখনৰ অনুকুলে আৰু কেতিয়াবা প্ৰতিকুলে যাব পাৰে। উদাহৰণ স্বৰূপে যেতিয়া দেশখনে আমদানি কৰা সামগ্ৰিৰ মূল্যতকৈ ৰপ্তানি কৰা সামগ্ৰীৰ মূল্য অধিক হয় তেতিয়া বাণিজ্য হাৰ দেশৰ অনুকূলে যায়। কিন্তু দেশ এখনে আমদানি কৰা দ্ৰব্যৰ মূল্যতকৈ ৰপ্তানি কৰা সামগ্ৰীৰ মূল্য কম হলে বাণিজ্য হাৰ দেশখনৰ প্ৰতিকূলে যাব। তলত দিয়া সমীকৰণটোৰ যোগেদি দুখন দেশৰ মাজৰ বাণিজ্য হাৰৰ উদাহৰণ দিব পাৰি।

$$\text{বানিজ্য হাৰ} = \frac{\text{আমদানিৰ মূল্য}}{\text{ৰপ্তানিৰ মূল্য}}$$

**২.২.১. বাণিজ্য হাৰৰ বিভিন্ন ধাৰণাসমূহ** (Different Concepts of terms of trade) ঃ বাণিজ্য হাৰৰ বহুকেইটা ধাৰণা আছে। অৰ্থনীতিবিদ G.M.Myer ৰে বাণিজ্য হাৰৰ ধাৰণা সমূহক মুঠতে তিনিটা ভাগত ভাগ কৰিছে।

১। আন্তৰ্জাতিক বাণিজ্যত সামগ্ৰী যি বিলাক বিনিময় হাৰৰ জৰিয়তে আমদানি ৰপ্তানি কৰা হয় সেই সমূহ বাণিজ্য হাৰ হ'ল-

ক) নিগুটি বা শুদ্ধ পণ্য বিনিময় বাণিজ্যৰ হাৰ (Net barter terms of trade)

খ) মুঠ পণ্য বিনিময় বাণিজ্যৰ চৰ্ত (Gross barter terms of trade)

গ) আয় বা উপাৰ্জন বাণিজ্যৰ চৰ্ত (Income terms of trade)

২। আন্তৰ্জাতিক বাণিজ্যত ৰপ্তানিকৃত দ্ৰব্য উৎপাদন কৰোতে ব্যৱহাৰ কৰা উপাদানৰ উৎপাদনশীলতাৰ পৰিবৰ্তন উল্লেখ কৰিবলৈ যিবিলাক বাণিজ্য হাৰ ব্যৱহাৰ কৰা হয় সেই সমূহ হ'ল -

ক) একক উপাদানৰ বাণিজ্য হাৰ (Single factorial terms of trade)

খ) দুই তৰপীয়া উপাদান যুক্ত বাণিজ্যৰ হাৰ (Double factorial terms of trade)

৩। প্ৰতিযোগিতা বিশ্লেষণৰ ওপৰত ভিত্তি কৰি বাণিজ্যৰ পৰা লোৱা লাভক প্ৰকাশ কৰা বাণিজ্য চৰ্তসমূহ হ'ল -

ক) প্ৰকৃত ব্যয়ৰ বাণিজ্য চৰ্ত (Real Cost terms of trade)

খ) উপযোগিতা বাণিজ্যৰ হাৰ (Utility terms of trade)

তলত বিভিন্ন প্ৰকাৰৰ বাণিজ্য হাৰৰ বিষয়ে আলোচনা কৰা হ'ল —

১।(ক) **নিগুটি পণ্য বিনিময় বাণিজ্যৰ হাৰ** (Net Barter terms of trade) ঃ পূৰ্বৰ সময়ৰ তুলনাত বৰ্তমানৰ ৰপ্তানি আৰু আমদানি দ্ৰব্যৰ মা

অনুপাতকে নিগুট কৰা
সমীকৰণটোৰ যোগেদি দুখন দেশৰ মাজৰ আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত নিগুট পণ্য বিনিময় বাণিজ্য হাৰক ব্যাখ্যা কৰিব পাৰি।

নিগুট পণ্য বিনিময় বাণিজ্য হাৰ $= \frac{Px_1}{Pm_1} : \frac{Px_0}{Pm_0}$

ইয়াত $Px_1$ য়ে তুলনা কৰা সময়ত ৰপ্তানিৰ মূল্য বুজাইছে।

$Pm_1$ য়ে তুলনা কৰা সময়ত আমদানিৰ মূল্য বুজাইছে।

$Px_0$ য়ে ভিত্তি বছৰত ৰপ্তানিৰ মূল্যৰ বুজাইছে।

$Pm_0$ য়ে ভিত্তি বছৰত আমদানিৰ মূল্যক বুজাইছে।

আমদানি আৰু ৰপ্তানিৰ মূল্য সূচক সংখ্যা ধৰিলৈ ওপৰৰ সমীকৰণটোক সহজ ৰূপত তলৰ সমীকৰণৰ ৰূপত পাব পৰা যায়।

নিগুট পণ্য বিনিময় বাণিজ্য হাৰ $(NBTT) = \frac{Px}{Pm}$

য'ত Px ৰপ্তানিৰ সূচক সংখ্যা বা ৰপ্তানিৰ মূল্য।

Px আমদানিৰ সূচক সংখ্যা বা আমদানিৰ মূল ওপৰৰ সমীকৰণটোৰ পৰা আমি নিগুট পণ্য বিনিময় বাণিজ্য হাৰৰ সংজ্ঞা এনেদৰে দিব পাৰো- “দেশ এখনৰ ৰপ্তানি সূচক মূল্যৰ লগত আমদানি সূচক মূল্যৰ যি অনুপাত তাকেই নিগুট পণ্য বিনিময় বাণিজ্য চৰ্ত বা হাৰ বুলিব পাৰি।

Example : 2004 চনত আমদানি আৰু ৰপ্তানিৰ সূচক সংখ্যা ক্ৰমে 160 আৰু 200। এনে অৱস্থাত 2000 চনক ভিত্তি বছৰ হিচাবে লৈ নিগুট পণ্য বিনিময় হাৰ নিৰ্দ্ধাৰণ কৰা।

Answer:

আমি জানো নিগুট পণ্য বিনিময় হাৰ

$$NBTT = \frac{Px_1}{Pm_1} : \frac{Px_0}{Pm_0}$$

$$= \frac{Px_1}{Px_0} \div \frac{Pm_1}{Pm_0} \times 100$$

যিহেতু, $Px_0$ ভিত্তি বছৰৰ ৰপ্তানি = 100

$Pm_0$ ভিত্তি বছৰৰ আমদানি = 100